**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-05-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::::***

১। শ্ৰমিকসকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে।

২। সমগ্ৰ দেশতে আজি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পৱিত্ৰ বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে।

৩। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোয়েলে আজি ব্ৰিটেইনৰ উদ্যোগ আৰু বাণিজ্য সচিব পিটাৰ কাইলৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে বাৰ্তালাপ কৰে।

৪। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতিআৰু প্ৰধানমন্ত্ৰীয়ে গুজৰাট আৰু মহাৰাষ্ট্ৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্য দুখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে। আজিৰ এই দিনটো মে' দিৱস হিচাপেও পৰিচিত। অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজে স্বীকাৰ কৰি অহা ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - 'কাম কৰাৰ বাবে সুস্থ মনোসামাজিক বাতাবৰণ'। এই বিষয়বস্তুৰ জৰিয়তে আধুনিক কৰ্মস্থলীত মানসিক চাপ, কামৰ হেচাৰ দৰে প্ৰত্যাহ্বান দূৰ কৰাত গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হৈছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শ্ৰমিক দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে শ্ৰমিকসকলৰ কঠোৰ পৰিশ্ৰম, একাগ্ৰতা আৰু অতুলনীয় অৱদানে এখন আত্মনিৰ্ভৰ আৰু উন্নত দেশ গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰে। শ্ৰমিকসকলৰ সৱলীকৰণ তথা তেওঁলোকৰ ন্যায্য প্ৰদানৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে চাৰিখন শ্ৰম সংহিতাৰ ৰূপায়ণে শ্ৰমিকসকলৰ পৰ্যাপ্ত মজুৰি, নিৰাপত্তা বৃদ্ধি, সামাজিক সুৰক্ষা আৰু কৰ্ম শক্তিৰ বাবে কল্যাণ সুনিশ্চিত কৰিছে।

০০০০০০০০০

সমগ্ৰ দেশত আজি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পৱিত্ৰ বুদ্ধ পূৰ্ণিমা পালন কৰা হৈছে। এই দিনটোত গৌতম বুদ্ধই জন্মগ্ৰহণ কৰাৰ উপৰি জ্ঞান লাভ কৰিছিল আৰু তেওঁৰ মহা পৰিনিৰ্বাণ ঘটিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বুদ্ধ পূৰ্ণিমা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ বাৰ্তাত কয়, যে এই পৱিত্ৰ দিনটো পৃথিৱীলৈ ভগৱান বুদ্ধৰ আগমন, জ্ঞান প্ৰাপ্তি আৰু মহা পৰিনিৰ্বাণৰ ঐতিহাসিক ঘটনাৰ প্ৰতীক। তেওঁ কয়, যে বুদ্ধৰ অহিংসা, কৰুণা, শান্তি আৰু জ্ঞানৰ শাশ্বতঃ বাণীসমূহে মানৱ জাতিক সদায় পথ প্ৰদৰ্শন কৰি যাব। অলেখ প্ৰত্যাহ্বানেৰে ভৰা বৰ্তমানৰ সময়ত ভগৱান বুদ্ধৰ শিকনিসমূহে সকলোকে শান্তি, সহিষ্ণুতা আৰু সম্প্ৰীতিৰ পথত অগ্ৰসৰ হ'বলৈ অনুপ্ৰেৰণা যোগাব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বাৰ্তাত কয়, যে গৌতম বুদ্ধৰ চিন্তাধাৰাই সমাজত আনন্দ আৰু সম্প্ৰীতিৰ ভাৱনাক সুদৃঢ় কৰে।

কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কয়, যে গৌতম বুদ্ধৰ জীৱনে মানৱতাৰ কল্যাণৰ হকে কাম কৰিবলৈ অনুপ্ৰাণিত কৰাৰ উপৰি সত্যৰ পথ গ্ৰহণ, অহিংসা আৰু সহমৰ্মিতাক আঁকোৱালি ল'বলৈ শিকায়।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই তেওঁৰ বাৰ্তাত কয়, যে বুদ্ধ পূৰ্ণিমা অকল এটা উৎসৱে নহয়, বৰং আত্মমন্থন, সজাগতা, আধ্যাত্মিকতা আৰু মানৱতাৰ পথত নিৰন্তৰ অগ্ৰসৰৰ সংকল্প। তেওঁৰ জীৱনে মানৱ জাতিৰ মননশীল প্ৰশ্নসমূহৰ সৰল আৰু ব্যৱহাৰিক সমাধান দি থৈ গৈছে বুলি শ্ৰী বিৰলাই মন্তব্য কৰে।

ooooooooo

বুদ্ধ পূৰ্ণিমাৰ পৱিত্ৰ ক্ষণত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি লেহৰ জীৱাৎসলত থকা তথাগত বুদ্ধৰ পৱিত্ৰ অৱশেষ প্ৰদৰ্শনী উদ্বোধন কৰে। লাডাখৰ জনসাধাৰণক বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জনাই শ্ৰী শ্বাহে কয়, যে ৭৫ বছৰৰ পাছত এই পৱিত্ৰ অৱশেষ লাডাখলৈ অনা হৈছে। গৌতম বুদ্ধৰ প্ৰজ্ঞা ২৫০০ বছৰৰ পাছতো প্ৰাসংগিক হৈ আছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এয়া কেৱল এটা ধৰ্মীয় অনুষ্ঠানেই নহয়, বৰং এয়া হৈছে ঐতিহাসিক পুনৰ মিলন। লাডাখ আৰু কাৰ্গিলৰ বৌদ্ধ ধৰ্মৰ অনুগামীসকলৰ উপৰি অন্যান্য ধৰ্মৰ লোকসকলেও গৌতম বুদ্ধৰ এই পৱিত্ৰ অৱশেষৰ পৰা শক্তি লাভ কৰিব বুলি শ্ৰী শ্বাহে আস্থা প্ৰকাশ কৰে। অনুষ্ঠানত লাডাখৰ লেফটেনেণ্ট গৱৰ্নৰ বিনয় কুমাৰ ছাক্সেনা, সাংসদ মহম্মদ হানিফা আৰু বিভিন্ন মঠৰ লামাসকল উপস্থিত থাকে। উল্লেখযোগ্য যে তথাগত বুদ্ধৰ পৱিত্ৰ অৱশেষ প্ৰথমবাৰৰ বাবে ইয়াৰ স্থায়ী স্থানৰ পৰা দেশৰ ভিতৰতে প্ৰদৰ্শনীৰ বাবে লৈ যোৱা হৈছে। লাডাখত আজিৰেপৰা ১৪ মে'লৈ এই প্ৰদৰ্শনী অনুষ্ঠিত হ'ব।

ooooooooo

কেন্দ্ৰীয় সংসদীয় আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ছিকিমৰ মনগান জিলাৰ চামলিং চুলিং বৌদ্ধমঠত প্ৰাৰ্থনা কৰে। এই প্ৰাৰ্থনাৰ সময়ত মন্ত্ৰী ৰিজিজুক ছিকিমৰ সমাজ কল্যাণ মন্ত্ৰী চামদুপ লেপচা আৰু গায়ক মহিত চৌহানে সংগ দিয়ে। ভিক্ষুসকলৰ সৈতে হোৱা কথা বতৰাৰ পাছত মন্ত্ৰী শ্ৰীৰিজিজুৱে বৌদ্ধমঠটোৰ চৌহদত নিৰ্মাণ কৰি থকা আন এটা মঠ পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ এই

বৌদ্ধমঠটোৰ নিৰ্মাণ সোনকালে সম্পূৰ্ণ কৰিবলৈ আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আৰ্থিক সহায় আগবঢ়াব বুলিও আশ্বাস দিয়ে।

০০০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোয়েলে আজি ব্ৰিটেইনৰ উদ্যোগ আৰু বাণিজ্য সচিব পিটাৰ কাইলৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে বাৰ্তালাপ কৰে। এটা বাৰ্তাত মন্ত্ৰী শ্ৰীগোয়েলে কয়, যে এই বাৰ্তালাপৰ সময়ত দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ সম্পৰ্কীয় বিষয়সমূহৰ আলোচনা কৰাৰ লগতে দুয়ো দেশৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰা বিষয়তো আলোকপাত কৰে। এই আলোচনা কালত ভাৰত-ব্ৰিটেইন সংহত অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিৰ অধীনত দুয়োখন দেশে কিদৰে সুযোগ গ্ৰহণ কৰিব পাৰে, সেই বিষয়েও আলোচনা কৰা হয়।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে স্বামী দয়ানন্দ সৰস্বতী, মহাত্মা গান্ধী আৰু চৰ্দাৰ বল্লভ ভাই পেটেলৰ এই পৱিত্ৰ জনমভূমিতে সামাজিক উত্তৰণ, দেশপ্ৰেম আৰু ৰাষ্ট্ৰ নিৰ্মাণত অৰিহণা যোগোৱা বহু ব্যক্তিৰ জন্ম হৈছিল। গুজৰাটৰ প্ৰগতিশীল আৰু উদ্যোগী লোকসকলে তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু দক্ষতাৰ জৰিয়তে বিশ্বত ভাৰতৰ গৌৰৱ বৃদ্ধি কৰিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে উদ্যোগ আৰু উদ্ভাৱনৰ দিশৰ পৰা পৰিচিত গুজৰাটে দেশৰ অৰ্থনৈতিক শক্তি তথা বৰ্ণাঢ্য সংস্কৃতি গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিনটোক গুজৰাটৰ বৰ্ণিল ঐতিহ্য আৰু সংস্কৃতিৰ উদযাপন বুলি উল্লেখ কৰে। ৰাজ্যখনে দেশৰ প্ৰগতিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে অনাগত দিনত গুজৰাটৰ বিকাশৰ নতুন উচ্চতালৈ উন্নীত হোৱাৰ ধাৰা অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰে মহাৰাষ্ট্ৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে চত্ৰপতি শিৱাজী মহাৰজৰ পবিত্ৰ ভূমিয়ে আমাক দেশপ্ৰেম, সাহস আৰু আত্মসন্মানৰ প্ৰতি অনুপ্ৰাণিত কৰি আহিছে। এই মহাৰাষ্ট্ৰৰ পৰাই মহাত্মা জ্যোতিবা ফুলে, সাবিত্ৰীবাই ফুলে, লোকমান্য বাল গংগাধৰ তিলক, গোপাল কৃষ্ণ গোখলে আৰু ড০ বাবাচাহেব আম্বেদকাৰৰ দৰে স্বনাম ধন্য লোকে সমাজ আৰু জাতিক দিশ নিৰ্দেশনা দি আহিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে মহাৰাষ্ট্ৰৰ উদ্যোগী আৰু সাধাৰণ জনতাই দেশৰ উন্নতিত উল্লেখযোগ্য অৱদান আগবঢ়াইছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে মহাৰাষ্ট্ৰ চহকী, সাংস্কৃতিহক ঐতিহ্য, সমাজ সংস্কাৰ আৰু উল্লেখনীয় প্ৰগতিৰ প্ৰতীক। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে দেশৰ উদ্যেগিক বিকাশ, কলা, শিক্ষা আৰু জনসেৱাৰ প্ৰতি মহাৰাষ্ট্ৰৰ অৰিহণা অন্যতম।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে সাংস্কৃতিক ঐতিহ্য, নেতৃত্ব আৰু সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত মহাৰাষ্ট্ৰৰ এটা দীঘলীয়া ইতিহাস আছে। শ্ৰীমোদীয়ে কয়, যে সাহিত্য, থিয়েটাৰ, সংগীত, চলচ্চিত্ৰৰ পৰা উদ্যোগ, শিক্ষা, বিজ্ঞান আৰু জনসেৱালৈ মহাৰাষ্ট্ৰই দেশৰ বিকাশত যথেষ্ট বৰঙণি আগবঢ়াইছে। শ্ৰীমোদীয়ে মহাৰাষ্ট্ৰৰ বিকাশ, প্ৰগতি, সমৃদ্ধি আৰু জনসাধাৰণৰ কল্যাণৰ ধাৰাবাহিকতা আশা কৰিছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ৰয়েল ছেলেঞ্জাৰ্চ বাংগালুৰুক ৪ উইকেটত পৰাস্ত কৰে।

০০০০০০০০০

সমাপ্ত